## ডাঃ ভুবনেশ্বৰ বৰুৱা সম্পৰ্কত কিছু কথা

১৬-৩১ অক্টোবৰ, ২০১৯ সংখ্যা প্ৰান্তিকত প্ৰকাশিত ড° ৰঞ্জিৎ সভাপণ্ডিতৰ 'লোকবন্ধু ডা° ভুবনেশ্বৰ বৰুৱাৰ জীৱন পৰিক্ৰমাত এভুমুকি' শীৰ্ষক লেখাটোৱে পাহৰণিৰ গৰ্ভত পোত খাবলৈ ধৰা অসমৰ কিম্বদন্তী পুৰুষজনাৰ বিৰল ব্যক্তিত্ব আৰু কৰ্মৰাজিৰ সৈতে আজিৰ নপুৰুষক চিনাকি কৰি দিয়াটো প্ৰশংসনীয় কাম হৈছে। এই বিষয়ত টিভি ছিৰিয়েল এখনেও যত্ন কৰা দেখা গৈছে।

প্ৰবন্ধটোত ডা° বৰুৱা চৰকাৰী চাকৰিৰপৰা বৰখাস্ত হোৱাৰ কাৰণ হিচাপে মঙলদৈ লোকেল ব'ৰ্ডৰ নিৰ্বাচনত চৰকাৰী সদস্য হিচাপে ডা° বৰুৱাৰ চৰকাৰবিৰোধী ভূমিকা সম্পৰ্কত দৰং জিলাৰ ছিভিল ছাৰ্জন কৰ্নেল ৰিচিৰ লগত হোৱা কথাৰ কটাকটি বুলি কোৱা হৈছে যদিও ইয়াৰ তাৎক্ষণিক কাৰণ আছিল বেলেগ। এই সম্পৰ্কত আমাৰ পূৰ্ব প্ৰকাশিত 'স্বাধীনতা আন্দোলনত দৰং' শীৰ্ষক প্ৰবন্ধত লিখা কথাখিনি উল্লেখ কৰিব খুজিছোঁ—

একালৰ অসমৰ প্ৰখ্যাত চিকিৎসক স্বাধীনতা যুঁজৰ অগ্ৰণী ব্যক্তি লোকবন্ধু ডা° ভুবনেশ্বৰ বৰুৱা মঙলদৈ ছিভিল হস্পিটেলত চৰকাৰী চিকিৎসকৰূপে নিযুক্ত হৈ আছিল। জাতীয় বিদ্যালয়ৰ শিক্ষক (একৈছৰ গান্ধীজীৰ আহ্বানত শ্বিলঙৰ চৰকাৰী চাকৰি ত্যাগ কৰি পূৰ্ণকালীন কংগ্ৰেছ কৰ্মী হোৱা) স্বৰ্গীয় ভবেন্দ্ৰ চন্দ্ৰ দাস এবাৰ ক'লা জ্বৰত আক্ৰান্ত হৈ মঙলদৈ ছিভিল হস্পিটেলত চিকিৎসাধীন হ'ল। তেনেতে এদিন বিলাতী ছিভিল ছাৰ্জন চাহাব পৰিদৰ্শনৰ বাবে তেজপুৰৰপৰা আহি দেখিলে ৰোগী দাসে হস্পিটেলৰ বিছনাত বহি যঁতৰত সূতা কাটি আছে। এই কথাত টিঙিৰি তুলা হৈ চাহাবে ডা° বৰুৱাক চকু পকাই ধৰিলে—Why is he allowed to bring the spinning wheel here? (চৰ্খা অৰ্থাৎ যঁতৰ কংগ্ৰেছৰ প্ৰতীক। সূতা কটাটো আন্দোলনৰ প্ৰধান কাৰ্যসূচী) ডা° বৰুৱাই টপৰাই উত্তৰ দিলে—I am a doctor. I am concerned with his treatment, not with what he does. চাহাব নিৰুত্তৰ হ'ল। পৰিদৰ্শন সামৰি তেজপুৰ পালেগৈ। পাছত তাঁৰ বাৰ্তা আহিল—Your services are no longer required. অভিযোগ derelic-tion of duty. ডা° বৰুৱাক চাকৰিৰপৰা বৰখাস্ত কৰিলে। তাৰ পাছত ডা° বৰুৱা স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিল। ইফালে ব্যক্তিগতভাৱে গুৱাহাটীত নিজাকৈ চেম্বাৰ খুলি অসমৰ চিকিৎসা ব্যৱস্থাত এটা নতুন মাত্ৰা দিলে।

কথাখিনি জানিব পৰা গৈছে মুক্তিযোদ্ধা ভবেন্দ্ৰ চন্দ্ৰ দাসৰ অন্যতম পুত্ৰ জগত চন্দ্ৰ দাসৰপৰা। প্ৰয়াত দাসে এবাৰ নিজ পুত্ৰকেইজনক লগত লৈ ডা° বৰুৱাক গুৱাহাটী চেম্বাৰত দেখা কৰিছিল। বহুদিনৰ মূৰত দেখা-দেখি হ'লত দুয়ো বৃদ্ধ ডিঙিত ধৰাধৰিকৈ আনন্দাশ্ৰু বোৱাই গদগদ কণ্ঠ হ'ল। ল'ৰাহঁত অবাক। মঙলদৈৰ ঘটনাটোৱে ডা° বৰুৱাক এগৰাকী আগশাৰীৰ দেশনেতালৈ ৰূপান্তৰিত কৰিলে। বংগত ডা° বিধান চন্দ্ৰ ৰায় যেনে আছিল অসমত লোকবন্ধু ডা° ভুবনেশ্বৰ বৰুৱা আছিল তেনে।

চাহাবক নিৰ্বাচনত হৰুৱাই চেয়াৰমেন হোৱাজন কুমুদ ৰাম বৰাহে, বৰুৱা নহয়।

**দিনেশ্বৰ চহৰীয়া,**
অৱসৰী অধ্যক্ষ, শইকীয়াপাৰা,
ডাক ঃ মেনাপাৰা, মঙলদৈ-৭৮৪১৪৬,
ফোন ঃ ৯৪৩৫০৮৭৪৮৯

## শেষপৃষ্ঠাৰ আঁত ধৰি

... কালি নৱ ঠাকুৰীয়া আৰু প্ৰণয় বৰদলৈ আহিছিল। নৱই টিহুত মোৰ নাটকখন চাইছিল। ... কথা প্ৰসংগত তেওঁলোক দুয়োজনে স্বীকাৰ কৰিলে—তেওঁলোকৰ মাজত কিছুমান 'ধুৰন্ধৰ' সাংবাদিক আছে, মাহে চাৰি-পাঁচ হাজাৰ দৰমহা পোৱা একোজন সাংবাদিকে (তেওঁলোকতকৈ জুনিয়ৰ) গুৱাহাটীত নিজা মাটি-ঘৰ কৰিলেই। *(প্ৰান্তিক, শেষপৃষ্ঠা, ১৬ অক্টোবৰ, ২০১৯)*

যোৱা প্ৰায় ডেৰ দশক ধৰি অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰ লগত আমি প্ৰত্যক্ষভাৱে জড়িত। গতিকে 'শেষপৃষ্ঠা' পঢ়ি দুশাৰীমান লিখাৰ ইচ্ছা জাগিল। ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ সৈতে নৱ ঠাকুৰীয়া আৰু প্ৰণয় বৰদলৈৰ সাক্ষাৎ হৈছিল ২০০০ চনৰ ১৪ ছেপ্টেম্বৰত। যোৱা কুৰি বছৰত কিন্তু অসমৰ সংবাদক্ষেত্ৰখনত 'ধুৰন্ধৰ' সাংবাদিকৰ সংখ্যা কমা নাই। বিপৰীতে ৰঘুমলাৰ দৰে বৃদ্ধি পাইছে। সম্প্ৰতি এচাম সাংবাদিকৰ ধন-দৌলত আৰু সম্পত্তিৰ পাহাৰ দেখিলে সাধাৰণজনৰ 'ৰাম নাম' লোৱাৰ বাদে আন বিকল্প নাই।

পোন্ধৰ বছৰমানৰ পূৰ্বে এজন সাংবাদিকে কৰ্মজীৱন আৰম্ভ কৰিছিল ৩—৫ হাজাৰ টকাৰ দৰমহাৰে। আজি আৰম্ভ কৰে ৮—১২ হাজাৰ টকাৰ দৰমহাত। মাহে মাত্ৰ ৮—১২ হাজাৰ টকা দৰমহা লাভ কৰা একাংশ সাংবাদিকৰ জীৱনশৈলী দেখিলে আচৰিত নহৈ নোৱাৰোঁ। দুই-তিনিবছৰ কাম কৰাৰ পাছতে তেওঁলোক বিলাসী গাড়ীৰ গৰাকী হয়, গুৱাহাটী মহানগৰীত মাটি কিনে। 'সমগোত্ৰীয়' হ'লেও সেইসকল সাংবাদিকে কলম আৰু কেমেৰাটোৰ লগতে আলাদিনৰ চাকিটো ক'ত পায় আমি বুজি নাপাওঁ!

কিছু বছৰ আগেয়ে আমাৰে 'জুনিয়ৰ' হিচাপে কাম কৰা কেইবাজনো সাংবাদিকৰ এতিয়া আৰ্থিক অৱস্থা জয়জয়কাৰ। ৩০-৪০ লাখ টকা মূল্যৰ কেৱল গাড়ীৰেই গৰাকী তেওঁলোক। একোটা নিম্ন মধ্যবিত্ত পৰিয়ালৰপৰা আহি গুৱাহাটীত সাংবাদিকতাৰ ক্ষেত্ৰখনত ভৰি দিয়েই তেওঁলোক কিদৰে ইমান ঐশ্বৰ্যশালী হৈ পৰিল? অপ্ৰিয় সত্য, অসমৰ বহুকেইজন সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিকৰ সম্পত্তিৰ পাহাৰ দেখিলে ৰাকেশ পালহঁতেও লাজ পাব। কিন্তু ইয়াৰ উৎস কি? নেতা-মন্ত্ৰী, আমোলা-ঠিকাদাৰ আদিৰ সম্পত্তি আৰু আয়ৰ উৎস সম্পাদক-সাংবাদিকে বিচাৰে। সম্পাদক-সাংবাদিকৰ আয়ৰ উৎস বিচাৰিব কোনে? কথাটো মেকুৰীৰ ডিঙিত টিলিঙা আঁৰাৰ দৰে।

অৱশ্যে এইচাম 'ধুৰন্ধৰ' সাংবাদিকৰ বিপৰীতে আন এচামে অতি সততা আৰু দায়বদ্ধতাৰে সংবাদ সেৱা কৰি আহিছে। মাহে মাত্ৰ সাতশ টকাৰ বিদ্যুতৰ বিল পৰিশোধ কৰিব নোৱাৰাৰ বাবে আন্ধাৰত থকা এজন জ্যেষ্ঠ সাংবাদিককো আমি ব্যক্তিগতভাৱে জানো। পত্নীৰ বাবে এটা জৰুৰী দৰব কিনিবলৈ বিছ টকা ধাৰে বিচাৰি মাজনিশা এজন কনিষ্ঠ সাংবাদিকলৈ ফোন কৰা জ্যেষ্ঠ আৰু প্ৰভাৱশালী সাংবাদিকো অৱশ্যে আমাৰ মাজত নোহোৱা নহয়। অৱশ্যে আমাৰ মাজত এনে সাংবাদিকো আছে, যি নিজৰ বেমাৰ হ'লে ভাল পায়। কাৰণ চিকিৎসাৰ নামত মন্ত্ৰী-বিধায়ক-বিষয়াৰপৰা 'কালেকশ্যন' কৰিব পাৰে।

দুখৰ কথা, সততাৰে সাংবাদিকতা কৰাসকলৰ ব্যক্তিগত জীৱন বৰ সমস্যাবহুল। বিশেষকৈ আৰ্থিক দিশত। কাৰণ অসমৰ সংবাদক্ষেত্ৰখনত কৰ্মৰত প্ৰায় বিছ শতাংশমানেহে মাহেকত যুক্তিযুক্তভাৱে বেতন লাভ কৰে।

**সৌৰভ প্ৰাণ বৰা,**
পানীচকুৱা, যোৰহাট-৭৮৫০০৬,
ফোন ঃ ৮১৩৫৮৪৫২১৩

## বিহংগম দৃষ্টিত তিনিচুকীয়া জিলা

প্ৰান্তিকৰ ১৬-৩০ ছেপ্টেম্বৰ ২০১৮ সংখ্যাত প্ৰকাশ হোৱা মোৰ 'বিহংগম দৃষ্টিত তিনিচুকীয়া জিলা' নামৰ লেখাটোৰ দুটামান বিষয়ৰ সন্দৰ্ভত ১-১৫ আগষ্ট ২০১৯ সংখ্যাত প্ৰকাশ হোৱা চন্দ্ৰ বৰদলৈৰ চিঠিখনৰ প্ৰসংগত কিছু কথা ক'ব খুজিছোঁ।